সুধী সম্পাদক দুজনৰ মতে এই যোগী বা নাথ সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা একাধিক জনো হব পাৰে।

দুকুৰি সাত-আঠটি বৌদ্ধ দোহাৰ তেৰটিৰ ৰচয়িতা সিদ্ধ কাহ্নুপাদ বা কৃষ্ণাচাৰ্য্যই ষষ্ঠত্রিংশতম দোহাত নিজক জলন্ধৰিপাদ বা হাড়িপাৰ শিষ্য বুলি কৈছে আৰু গোপীচন্দ্ৰও এই হাড়িপাৰে আন এজন শিষ্য। স্থানীয় কিম্বদন্তী অনুসাৰেও অসমৰ পালবংশৰ এজন শেষ ৰজা ধৰ্মপালে কৰতোয়াৰ পাৰত থকা তেওঁৰ বোৱাৰীয়েক মীনাৱতীৰ (মইনামতীৰ) ৰাজ্য লবলৈ যত্ন কৰাত তিষ্টা নৈৰ পাৰত উভয় পক্ষৰ যি যুদ্ধ হয় তাত ধৰ্মপাল হাৰি সন্ন্যাসী হৈ আঁতৰি যায়। ৰামচৰণৰ শঙ্কৰ-চৰিতত থকা ধৰ্মপালৰ বিষয়ক "নিজ ৰাজ্য এৰি বিদেশক গৈলা" কথা ই সম্পূৰ্ণ সমৰ্থন কৰে। ১৮০৯-ত ভাটি ৰংপুৰ ডিমলাত এখন পুৰণি নগৰৰ ধ্বংসাৱশেষ চাই বকানন হেমিলটনে লিখিছিল—"তিষ্টাৰ মোচৰ এটাৰ পৰা দুমাইলমান দূৰত ডিমলাৰ নামনিত চাৰিওফালে গড় মৰা এখন নগৰৰ ভগ্নাৱশেষ আছে, কামৰূপৰ পালবংশৰ প্ৰথম (শেষ ?) ৰজা ধৰ্মপালে ইয়াক সজোৱা বোলে।...ধৰ্মপালৰ দুৰ্গৰ পৰা দুমাইলমান পছিমেই দেও নৈৰ পছিম পাৰত ধৰ্মপালৰ বোৱাৰীয়েক মইনাৱতীৰ (মীনাৱতী বা মইনামতীৰ) দুৰ্গ।...ইয়াৰ দখিণে অলপ দূৰত হৰিশ্চন্দ্ৰৰ পাট বুলি ঘুৰণীয়া মৈদাম এটা আছে...ইয়ে ধৰ্মপালৰ পাছত ৰজা হোৱা মইনাৱতীৰ পুতেক গোপীচন্দ্ৰৰ শহুৰেক হৰিশ্চন্দ্ৰৰ যে মৈদাম, তাত কোনো খুকুৰি নাই।" তেন্তে গোপীচন্দ্ৰৰ গীত বা গোৰক্ষ-বিজয়ত বৰ্ণোৱা সদৌ কাহিনীৰ লগত এইবোৰ প্ৰমাণ আৰু কিম্বদন্তীৰ সম্পূৰ্ণ মিল পোৱা হল, আৰু পুৰণি পছিম কামৰূপ বা কমতা ৰাজ্যৰ ভিতৰুৱা ৰংপুৰ আদি জিলাই গোপীচন্দ্ৰৰ ৰাজধানী।

আৰু এটি আৱশ্যকীয় প্ৰসঙ্গ গীতটিৰ আৰম্ভণিৰ—"মএনাক যম-বন্দী দিলে ফেৰুসাৰ ভিতৰ" আৰু "মএনামতী চৰ্খা কাটি ভাত খায় বন্দাৰেৰ ভিতৰ।" এই বন্দৰ ক'ত আৰু কেনেকৈ হ'ল অলপ ভাবি চালেই ওলায়। প্ৰাগ্‌জ্যোতিষৰ ৰজা ভগদত্তই যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞলৈ "সহ ম্লেচ্ছৈঃ সাগৰানুপবাসিভিঃ" গৈছিল বুলি সভাপৰ্বত লিখিছে। উদ্যোগ পৰ্বতো "ৰাজ্ঞে ভগদত্তে পূৰ্বসাগৰবাসিনে" বুলিছে। আৰ্য্যাৱৰ্তৰ সীমা নিৰ্দ্দেশতো কোৱা হৈছে—"আসমুদ্ৰাত্তু বৈ পূৰ্বাদাসমুদ্ৰাত্ত পশ্চিমাৎ। তয়োৰেৱান্তৰং গিৰ্য্যোৰাৰ্য্যাৱৰ্তং বিদুৰ্বুধাঃ॥" ব্ৰহ্মপুত্ৰ আৰু গঙ্গাৰ পূৰ্বৰ সঙ্গমত বৰ্তমান ৰংপুৰৰ দখিণ সীমাতে এই পূৰসাগৰ

আছিল বুলি এনে অসংখ্য প্ৰমাণৰ পৰা বুজিব পাৰি। বৌদ্ধ জাতকমালাৰ পৰা খৃষ্টপূৰ্ব চতুৰ্থ শতিকাত চম্পা বা বৰ্তমান ভাগলপুৰৰ পৰা সাগৰৰ জাহাজ চলাৰ কথা ভু পাব পাৰি। মেগাস্থেনিছ আদি গ্ৰীক লেখকৰ বৰ্ণনাত গঙ্গাৰ মুখত থকা দ্বীপপুঞ্জৰ উল্লেখ পোৱা হয়। দ্বিতীয় শতিকাৰ আগছোৱাত কেইবাখনো মুখেদি গঙ্গা সাগৰত পৰা বুলি টলেমীয়ে লিখাৰ পৰা বুজিব পাৰি। ১০০০ খৃঃ পূঃ কালত পূৰ্বসাগৰত থকা দ্বীপপুঞ্জ ইয়াৰ ভিতৰতে ব-দ্বীপত পৰিণত হৈ ক্ৰমে মূল ভূমিত পৰিণত হব খুজিছে। এইদৰে গঠিত হোৱা সাগৰৰ পাৰৰ নতুন ভূমিখণ্ডই য়ুয়ান্ চোৱাঙে খৃষ্টীয় সপ্তম শতিকাৰ আগছোৱাত পোৱা বঙ্গদেশৰ সমতট। একাদশ শতিকাৰ আলবেৰুনীয়েও এই সমতটৰ পূবে থকা দখিণ মৈমনসিংহ, পছিম শ্ৰীহট্ট, কামলঙ্কা ( কুমিল্লা ) আৰু নোৱাখালিৰে গঠিত ভূমিখণ্ড তেতিয়া সাগৰৰ গৰ্ভত থকা বুলিছে।

পৰেশচন্দ্ৰ বানাৰ্জ্জিয়ে "বাঙালাৰ পুৰাবৃত্ত"ত স্পষ্টভাৱে লিখিছে, চৌব্বিশ পৰগণা, খুলনা, যশোহৰ, নদীয়া, ফৰিদপুৰ, বাখৰগঞ্জ, ঢাকাৰ কিছু অংশ, নোৱাখালি আৰু ত্ৰিপুৰা যে সমুদ্ৰৰ গৰ্ভত আছিল, তাৰ মাটিয়েই আজিও প্ৰমাণ দিব ; পূৰ্ণিয়া, দিনাজপুৰ, মালদহ, ৰাজসাহী, পাবনা, ৰংপুৰ আদি জিলাও অৱশ্যে সাগৰৰ বুকুত আছিল, কিন্তু সি বুৰঞ্জীয়ে ঢুকি পোৱাৰ ওপৰৰ কথা। তেন্তে বৰ্তমান অসম, ত্ৰিপুৰা আৰু ত্ৰিপুৰাৰ পৰ্বতবোৰ তেতিয়াৰ পূৰ্বসাগৰৰ পাৰত আছিল, এইটোও ভূ-তত্ত্বমূলক প্ৰমাণৰ কথাই হব। ইয়াৰ উপৰিও আঃ ১০৪৯ খৃঃৰ শ্ৰীহট্টৰ ৰজা গোবিন্দ কেশৱদেৱৰ ভাটেৰা তাম্ৰলিপিত সমুদ্ৰক সীমা কৰি দিয়া মাটিৰ বৰ্ণনাই পূৰ্বসাগৰৰ প্ৰমাণ শেষবাৰ সমৰ্থন কৰে। শ্ৰীহট্টতো "বন্দৰ বজাৰ" নামৰ ঠাই এতিয়াও আছে ; গতিকে গোপীচন্দ্ৰৰ গীতৰ এই "বন্দৰ" ৰংপুৰত আছিল আৰু এই গীত সেইদেখি ৰংপুৰৰ ভিতৰতে ৰচিত বুলি শেষ সিদ্ধান্ত কৰিব পৰা হয়।

"মইনামতী চৰ্খা কাটি ভাত খায়" কথা বুজাবলৈ সুধী সম্পাদকদ্বজনে বৈদিক ভাৰতত তিৰুতাই সূতা কটা আৰু কাপোৰ বোৱাৰ উদাহৰণ ৰূপে ঋক বেদৰ সূক্তকে উদ্ধৃত কৰি এৰা নাই, অসমীয়া তিৰুতাই এতিয়াও এড়ি-মুগাৰ সূতা কটা তাঁত-বোৱা আদিৰো উল্লেখ কৰিছে। কিন্তু সুধী সম্পাদকদ্বজনে, অসমীয়া ভাষাত অনভিজ্ঞ হোৱা হেতুকে অসমীয়াত সদায় চলি থকা শব্দবোৰৰ অৰ্থেৰে শব্দ-টীকা ওফন্দাই পেলাইছে ; ইমানেই নহয়, "সৰঙ্গ", "সক সক", "হেৰ" আদি

শব্দবোৰৰ একেবাৰে ভুল আৰু বিপৰীত অৰ্থ দিছে। অসমীয়া পণ্ডিতৰ সহায়েৰে এই বহুমূলীয়া পুথিখন সম্পাদিত হোৱা হলে ইমান আসোঁৱাহ নোলালহেতেন।

## (২) ৰামাইৰ "শূন্যপুৰাণ" আৰু (৩) চণ্ডীদাসৰ "কৃষ্ণকীৰ্ত্তন"

দীনেশচন্দ্ৰ সেনৰ মতে "শূন্যপুৰাণ" প্ৰণেতা ৰামাই পণ্ডিতেই বঙ্গদেশত "ধৰ্ম"মত প্ৰচাৰ কৰোতাসকলৰ ভিতৰত প্ৰধান, আৰু এওঁ একাদশ শতিকাৰ আগ ভাগৰ গৌড়ৰ ৰজা ধৰ্মপালৰ সমসাময়িক। ৰাজেন্দ্ৰ চোলৰ ১০১২ খৃঃৰ শিলালিপিত দ্বিতীয় ধৰ্মপালৰ উল্লেখ আছে বুলিয়ে দীনেশচন্দ্ৰই সেইদৰে ভাবে; আৰু বৰ্তমান বঙ্কুৰা জিলাৰ দ্বাৰকেশ্বৰ নৈৰ পাৰত ৰামাই পণ্ডিতৰ জন্ম বুলি কয়। কিন্তু যোগেশচন্দ্ৰ বিদ্যানিধিৰ মতে শূন্যপুৰাণ চতুৰ্দশ শতিকাৰ আগৰ হব নোৱাৰে, আৰু সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মতে ই পঞ্চদশ শতিকাৰ পূৰ্বৰ নহয়। ভাষামূলক বিচাৰ আৰু খাইকৈ অসমীয়া মন্ত্ৰ-সাহিত্যৰ লগত ইয়াৰ ভাব-ভাষাৰ মিলৰ পৰা শূন্যপুৰাণৰ ৰচনা ত্ৰয়োদশ শতিকাৰ পাছত বুলি অনুমান নহয়। অৱশ্যে ৰামাই পণ্ডিতৰ জন্মস্থান বা শূন্যপুৰাণ পুথি বৰ্তমান অসমৰ ভিতৰত থকাৰ কোনো সহাৰি নাই। তদুপৰি "ধৰ্ম" আৰু "শূন্য" শব্দ দুটাৰ পৰাই এই গীতবোৰত শৈৱতকৈ বৌদ্ধ প্ৰভাৱৰ কথাহে সূচায় বুলি বুজিব পাৰি; পুথিৰ ভাষাও ঠায়ে ঠায়ে অসংস্কৃত হোৱা যেন লাগে। (অধ্যয়ন, ৮৯-৯০ পিঠি)।

ইয়াৰ ভাব-ভাষা বৌদ্ধ দোহাৰ শাৰীৰ, কিন্তু তাতকৈ অলপ অৰ্বাচীন; অৱশ্যে লিপিকাৰ বা সম্পাদকৰ হাতৰ কিবা চিনো ইয়াত থকা যেন অনুমান হয়। দীনেশচন্দ্ৰই শূন্যপুৰাণত পোৱা গদ্যৰ আৰ্হিও দাঙি ধৰিছে—"হে ভগৱান বাৰ ভাই বাৰ আদিত্ত হাথ পাতি নেহ সেৱকৰ অৰ্ঘ পুষ্প পানী, সেৱক হব সুখী। ধমত কাহুই গুৰু পণ্ডিত দেউল দান পতি সংসাৰ ভোক্ত এমনি সন্ন্যাসী গতি যাইতি।" "বাতিত পাথৰ চাৰি পতি কৰ। কতে হল সুদ সামৰ অৰ্হা। কাঞ্চন বান্ধিআ মাজে কৰিলা কত কাল মণ্ডপে ফটিকৰ থাম লগে চন্দন নদন আৰু শত ডাকে লাগি গন্ধন।" "দেউলে দেহৰ ভাঙ্গে। ক্যাৰ্হ ফিৰ্হা খায় ৰঙ্গে। পথৰ পথৰ বোলে বোল॥" "শূন্যপুৰাণ"ৰ সুবিজ্ঞ সম্পাদকেও ইয়াৰ অৰ্থৰ প্ৰহেলিকা ভাঙিব নোৱাৰি দুখ প্ৰকাশ কৰিছে। কিন্তু ইয়াৰ অৰ্থ যিয়েই হওক, ভাষাত অসমীয়া ব্যাকৰণৰ সাঁচ প্ৰায় পৰিস্ফুট যে সন্দেহ নাই।

প্ৰথমত বৌদ্ধ গান বা দোহা, দ্বিতীয়ত শূন্য-পুৰাণ, আৰু তৃতীয়ত কৃষ্ণ-কীৰ্ত্তন; অসমীয়া-বঙলা ভাষাৰ এই তিনটিয়েই ঘাই খাপ সন্দেহ নাই। বঙ্গীয় সাহিত্য পৰিষদৰ পৰা ৰামেন্দ্ৰসুন্দৰ ত্ৰিবেদীৰ পাতনিৰে কৃষ্ণকীৰ্ত্তন বসন্তৰঞ্জন ৰায়ৰ হাতেদি সুসম্পাদিত হৈ ওলাইছে। সুবিজ্ঞ সম্পাদকে ভাঙি-পাতি কৈছে বোলে এই পুথিৰ ৰচনা বা পাণ্ডুলিপিৰ কাল, ৰচয়িতাৰ বিৱৰণ, আন নালাগে পুথিখনৰ নামটোও তেওঁ তাত পোৱা নাই; কেৱল একেখন পাণ্ডুলিপি, তাৰো প্ৰথম পাত ফটা আৰু শেষকেইটা পাত হেৰোৱা: তাৰ পৰাই সদায় শুনি অহা "কৃষ্ণকীৰ্ত্তন" নামৰ পুথি এয়ে বুলি ভাবি তেওঁ সেইদৰে সম্পাদন কৰি উলিয়াইছে। পাণ্ডিত্যপূৰ্ণ পাতনিত ত্ৰিবেদীয়ে তিনটা কাৰণত এই পুথি অমূল্য বুলিছে; প্ৰথমত, লিপিবিশেষজ্ঞ ৰাখালদাস বানাৰ্জিৰ মতে এই পুথিৰ লিপি চতুৰ্দ্দশ শতিকাৰ আৰু সেই অনুসাৰে ই প্ৰকৃত বঙলা ভাষা আৰু সম্ভৱ কবি চণ্ডীদাসৰ নিজ আখৰৰ প্ৰাচীনতম নিদৰ্শন; দ্বিতীয়ত, ত্ৰিবেদীৰ মতে এই পুথিৰ ভাষা চতুৰ্দ্দশ শতিকাৰ পশ্চিম বঙ্গৰ ভাষাৰ চানেকি; আৰু তৃতীয়ত, ৰাধা-কৃষ্ণ বিষয়ক অৰ্বাচীন ভাষাত ৰচিত প্ৰেম-গীতবোৰৰ ৰচয়িতা নকল-চণ্ডীদাসৰ ঠাইত ইয়াত প্ৰকৃত চণ্ডীদাসৰ আবিষ্কাৰ। লগতে, অসমীয়া সাহিত্যৰ কাৰণে, অন্ততঃ অসমীয়া ভাষাৰ সম্পূৰ্ণ লক্ষণ থকা লেখৰ প্ৰাচীন গ্ৰন্থ এখন বঙলা সাহিত্যই আপোন বুলি দাবী কৰাৰ প্ৰমাণ স্বৰূপে দেখুৱাব পৰা হল।

লিপি-বিশেষজ্ঞ ৰাখালদাস বানাৰ্জিয়ে এহাতে স্বীকাৰ কৰিছে বোলে এই পুথিত প্ৰাচীন, প্ৰাচীনৰ অনুকৰণ, আৰু অৰ্বাচীন, তিনিবিধ লিপি পোৱা হয়; আৰু ইহাতে, "সন ১৪৪২ শাকে" লিখিত শূদ্ৰ-পদ্ধতি বোলা সংস্কৃত পুথিখনৰ আখৰৰ লগত মিলাই, তাক ১৪৪২ সম্বৎ বুলি ধৰি সেইমতে কৃষ্ণকীৰ্ত্তন ১৩৮৫ খৃঃৰ আগত লিখিত বুলিছে। কিন্তু হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াত আপত্তি জনাই কৈছে বোলে "শাকে" শব্দটো স্পষ্ট থকাত শূদ্ৰ-পদ্ধতি তথা কৃষ্ণকীৰ্ত্তনৰ লিপিৰ কাল সম্বৎ বুলি ধৰিবৰ কোনো হেতু নাই; গতিকে কৃষ্ণকীৰ্ত্তনৰ লিপি কোনোমতে ১৫২০ খৃঃ ৰ আগ বুলিব নোৱাৰি। ভাষাৰ আলোচনাৰ পৰা ৰায় বাহাদুৰ বিদ্যানিধি এজনে মুকলিকৈ লিখিছে বোলে কৃষ্ণকীৰ্ত্তন পুথিখন হয় অসম দেশ ঘূৰি আহিছে, নহয় অসমীয়া আৰু পুৰণি বঙলা একে আছিল। আৰু আমি তেওঁৰ এই পিছৰ সিদ্ধান্তকে, অসমীয়া আৰু পুৰণি বঙলা যে একে আছিল,

স্থিৰ বুলি ভাবোঁ; কিয়নো বঙলা সাহিত্যৰ আন এজন যশস্বী বুৰঞ্জী-লেখক ৰমেশচন্দ্ৰ দত্তই স্পষ্ট কৈছে ৰামায়ণ-মহাভাৰতৰ পদ-ভাঙনিৰে পঞ্চদশ শতিকাতহে স্বৰূপতে বঙলা সাহিত্যৰ পাতনি হৈছে আৰু কাশীৰাম দাসেই সেইদেখি প্ৰকৃত বঙলা সাহিত্যৰ পিতা। পেটকটা ৰ আদিৰে পুথিখনৰ লিপিও সম্পূৰ্ণ অসমীয়া।

কৃষ্ণকীৰ্ত্তন দহ খণ্ডত বিভক্ত; প্ৰত্যেক খণ্ডৰে একোটি উদ্ধৃতি চালেই ইয়াৰ ভাব আৰু মাইকৈ ভাষাৰ সম্পৰ্কে এটি আভাস পোৱা হয়। পুথিখনৰ প্ৰথম পাত ফটা দেখি অলপ মাজৰ পৰা আৰম্ভ হৈছে "সব্ব দেৱে সভা পাতিল আকাশে।" শঙ্কৰদেৱৰ উত্তৰা কাণ্ড ৰামায়ণৰ ভাঙনিত আছে, "আছন্ত ৰাঘৱ ঘেৰে দিব্য সভা পাতি।" আৰম্ভৰ পৰা শেষলৈকে পুথিখনত অসমীয়াৰ বি মচিব নোৱৰা চিন আছে, উদ্ধৃতিত তাৰ যৎকিঞ্চিৎ আভাসহে পাব পাৰি। (অধ্যয়ন, ৯০-৯৪ পিঃ)।

সেই "প্ৰাচীন বাঙ্গালা"ৰ আন নাম যে "অসমীয়া", তাত এতিয়া কাৰো খুকুৰি থাকিব নোৱাৰে। কিন্তু সাহিত্য স্বৰূপে ই কেতিয়াও অসমীয়া বৈষ্ণৱ সাহিত্যৰ লগত জীণ যাব পৰা বস্তু নহয় ইও সুনিশ্চিত; ইয়াক অৰ্বাচীন অসমীয়া "ৰাধাহৰণ" আদিৰ লগৰ তল-শাৰীৰ পুথি বুলিব লাগিব। বঙ্কিমচন্দ্ৰ চেটাৰ্জ্জিয়ে কবৰ দৰে কোনোবা ভট্টাচাৰ্য্যৰ "দুলাল" প্ৰায় একাদশ শতিকাত ওপজা পেট-মচা ব্ৰহ্মবৈবৰ্ত্ত পুৰাণতে সহজীয়া জীয়ৰী ৰাধা জয়ে জয়ে অৱতীৰ্ণা। তাৰ পাছত বঙালী জয়দেৱৰ সংস্কৃত কাব্য "গীত-গোবিন্দ"ৰ কোলাত লহপহকৈ বাঢ়ি বিলাসী পাটগাভৰুজনী; আৰু শেষত বিদ্যাপতি-চণ্ডীদাসৰ প্ৰেম-গীতৰ তালত নূপুৰ পিন্ধি পাক দি, নটৰ জীয়ৰী দুলমতী ফুলেশ্বৰী ৰাণী হোৱাৰ দৰে, চৈতন্যদেৱৰ ধৰ্মত আৰাধ্যা গোসানী হয়।

এই প্ৰসঙ্গত এই মূল কথা মনত ৰাখিব লাগিব, ৰাধা-চৰিত্ৰ শ্ৰীমদ্ভাগৱত আদি মূল গ্ৰন্থবোৰত নাই, আৰু ই শ্ৰীমদ্গীতাৰ একশৰণ ধৰ্মৰ বিৰোধী। অৰ্বাচীন ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ প্ৰেম-কাহিনী লৈ বঙালী কবি জয়দেৱে যি গীত-গোবিন্দ কাব্য সংস্কৃতত ৰচনা কৰিলে, সচাঁকৈয়ে তাত "গীত" আছে, "গোবিন্দ" নাই নিশ্চয়। মৈথিলী কবি বিদ্যাপতিৰো ৰাধাকৃষ্ণ বিষয়ক গীতবোৰ সেই একে মূলৰ পূৰ্বৰাগ-অনুৰাগৰ কবিতা, ভক্তিমূলক কবিতা নহয়; কিয়নো বিদ্যাপতি প্ৰকৃততে বৈষ্ণৱপন্থী কবি নাছিল। ৰাধাকৃষ্ণৰ সহজীয়া প্ৰেমৰ গীত-ৰচয়িতা

স্বামী-ভক্ত চণ্ডীদাস একেজনেই হওক বা দুজনেই হওক, তেওঁ যে বৈষ্ণৱ নহয় এই দুই বিধ ৰচনাই তাৰ প্ৰমাণ ; আৰু এই বাবেই এই গ্ৰন্থ অন-বৈষ্ণৱ সাহিত্য স্বৰূপে আলোচনা কৰা হৈছে।

ভাষাৰ দৰেই শুদা সাহিত্যৰ ফালৰ পৰাও এই পুথিখনিত অনেক গুণ দেখিবলৈ পোৱা হয়। ইয়াৰ ৰচয়িতা চণ্ডীদাস যেনে তেনে শ্ৰীশঙ্কৰদেৱৰ পূৰ্ববৰ্তী ; আৰু প্ৰাক্‌শঙ্কৰী অসমীয়া কবি মাধৱ কন্দলী আৰু মৈথিলী কবি বিদ্যাপতিৰ অন্ততঃ নবীন সম-সাময়িক। তাৰ প্ৰমাণ ৰূপে জয়দেৱৰ প্ৰখ্যাত “স্মৰগৰলখণ্ডনং মম শিৰসি মণ্ডনং দেহি পদপল্লৱমুদাৰম্” শ্লোকৰ প্ৰতিধ্বনিৰূপে ইয়াৰ বৃন্দাবনখণ্ডত কৃষ্ণই ৰাধাৰ মান ভঞ্জন কৰিছে—

“মদন গৰল খণ্ডন ৰাধা মাথাৰ মণ্ডন মোৰে।
চৰণ পল্লৱ আৰোপ ৰাধা মোৰ মাথাৰ উপৰে ॥”

এই বৃন্দাবন-খণ্ডৰে এটি দীঘলীয়া কবিতাৰ বিৱৰণৰ মাজত—

“একে একে ঋতুগণে, বিলাস কৈল আপনে, কুসুমিত সৱ তৰুগণে।
তিন ভুবন মাঝে কথাহো নাদেখিলো দৈব নিয়োজন হেন থানে ॥…
কুসুম সমূহ মধু পিআ, মধুমত্ত মধুকৰ, নিকৰে মধু ঝঙ্কাৰে।
কুসুমিত লতাকুঞ্জে, বেঢ়িল বিবিধ গুঞ্জে, মন্মথ কৰে ঝঙ্কাৰে ॥
বহে সুশীতল বাএ, কোকিলে পঞ্চম গাএ, ৰএ আৰ নানা পক্ষিগণে।
সুনে মৃগকুলে বনে, গাইল বড়ু চণ্ডীদাসে, বান্ধিআঁ বাসুলী চৰণে ॥”

ইয়াত এহাতে যেনেকৈ বিদ্যাপতিৰ ছন্দৰ জোঁকাৰ প্ৰতিধ্বনিত হৈছে, ইহাতে তেনেকৈ “কুহু কুহু ধ্বনি, কোকিলৰ শুনি, বহয় মলয়া বাৱ” কীৰ্ত্তন-ঘোষাৰ এনে আগলি বাতৰি পোৱা পোৱা যেন লাগে। বিশেষকৈ কৃষ্ণ-কীৰ্ত্তনৰ বৃন্দাবন-খণ্ডৰ কুসুম-মালা ছন্দৰ এই কবিতাটি আদি-ৰসত বিদ্যাপতিৰ আৰু ভাবাত শ্ৰীশঙ্কৰদেৱৰ “হৰমোহন”ৰ “দিব্য উপবন”ৰ আগ-জাননী যেন লাগে। শৃঙ্গাৰ-ৰস-প্ৰধান হলেও ঠায়ে ঠায়ে ৰচনা অতি সৰস আৰু কবিত্বপূৰ্ণ হৈছে—

“তোহ্মাৰ যৌৱন ৰাধা কৃপণেৰ ধন। পোটলি বান্ধিআঁ ৰাখ নহুলী যৌৱন ॥”
তোৰ দুঈ কুচকুম্ভ বান্ধি নিজ গলে। বোল ৰাধা পৈসোমো লাৱণ্য গঙ্গাজলে ॥
নাভি গভীৰ তোৰ প্ৰয়াগ উপমা। উৰুযুগ ৰাম কদলী তৰু সমা ॥
মন্থৰ গমনে যাসি ভাগিবাৰ তৱে। তা দেখিআঁ বনবাস কৈল কৰীবৰে ॥”

## পূৰ্ব-বৈষ্ণৱ সাহিত্য—(১) দুৰ্লভনাৰায়ণৰ আমোলৰ

ৰামচৰণ ঠাকুৰৰ গুৰু-চৰিত মতে দুৰ্লভনাৰায়ণৰ বংশাৱলী :—সান্ধি বা সন্ধ্যাৰ পুত্ৰ সিন্ধুপতি, তেওঁৰ পুত্ৰ ৰূপ ; ৰূপৰ পুত্ৰ সিংহধ্বজ : এওঁক মাৰি এওঁৰ মন্ত্ৰী প্ৰতাপধ্বজ ৰজা হয় ; এওঁৰে পুত্ৰ দুৰ্লভনাৰায়ণ। গুণাভিৰামৰ মতে "এই দুৰ্লভনাৰায়ণ কোন বংশৰ ৰজা তাৰ নিৰ্ণয় নাই ; কোনোৱে কয় পাল বংশৰ, কোনোৱে কয় জিতাৰি বংশৰ।" জিতাৰিৰ পাছত সুবুলিক ৰজা হয়। "এওঁৰ পাছত পদ্মনাৰায়ণ, চন্দ্ৰনাৰায়ণ, মহেন্দ্ৰনাৰায়ণ, গজেন্দ্ৰনাৰায়ণ, ৰাম-নাৰায়ণ, জয়নাৰায়ণ, খোৰনাৰায়ণ আৰু ৰামচন্দ্ৰ।" উক্ত চৰিত মতেই গৌড়েশ্বৰ দুৰ্লভনাৰায়ণ আৰু কামেশ্বৰ বা কমতেশ্বৰ ধৰ্মপালৰ যুদ্ধৰ পাছত হোৱা সন্ধিৰ সৰ্ত্ত অনুসাৰে ধৰ্মপালে সিজনৰ ৰাজ্যৰ পৰা যি সাত ঘৰ কায়স্থ আৰু সাত ঘৰ বামুণ আনে তাৰে প্ৰধান আছিল শ্ৰীশঙ্কৰদেৱৰ পূৰ্বপুৰুষ লণ্ডাদেৱৰ পুতেক চণ্ডীবৰ। ইহাতে ধৰ্মপালৰ ৰাজত্বৰ দ্বাদশ শতিকাৰ প্ৰথমাৰ্দ্ধত পাতনি হোৱাৰ আমি লিপিমূলক প্ৰমাণ পাওঁইক। সেই সময়ত লণ্ডাদেৱ জীৱিত আছিল আৰু তেওঁ শঙ্কৰদেৱৰ উৰ্দ্ধতন পঞ্চম পুৰুষ। শঙ্কৰদেৱৰ পূৰ্বপুৰুষ কুসুম্বৰ, সূৰ্য্যবৰ, ৰাজ্যবৰ, চণ্ডীবৰ, প্ৰত্যেকেই কোনো দেৱতা বা বাইজৰ বৰত নিজ নিজ সুদীৰ্ঘজীৱী পিতৃৰ প্ৰসিদ্ধৰূপে প্ৰবীণ বয়সত ওপজা সন্তান বুলি চৰিত-পুথিবোৰত দৃঢ়ভাৱে বৰ্ণোৱা আছে। এম্, এন্, ঘোষে তেওঁৰ 'অসমীয়াৰ ধৰ্মবিশ্বাস' বোলা পুথিত সেইদেখি শঙ্কৰদেৱৰ বংশৰ এই অসাধাৰণ ৰীতিত তিনিকুৰি বছৰত এপুৰুষ ধৰাটো যুক্তিসঙ্গত বুলিছে। আৰু এইমতে লণ্ডাদেৱৰ, আৰু সেইদেখি দুৰ্লভনাৰায়ণৰ, কাল শঙ্কৰদেৱৰ জন্মৰ পৰা উৰ্দ্ধতন ৩০০ বছৰ অৰ্থাৎ ১৪৪৯-৩০০ বা ১১৪৯ খৃষ্টাব্দ বা দ্বাদশ শতিকাৰ মাজভাগলৈ আহে। ইয়াৰ অলপ বঢ়া-টুটাৰ বাবে ঠাই এৰিও যেনে তেনে দুৰ্লভনাৰায়ণ কাল দ্বাদশ শতিকাৰ শেষত প্ৰতিষ্ঠিত হয় ; আৰু গুণাভিৰাম বৰুৱাৰ বিচাৰ মতেও ই সমৰ্থিত হয়। তদুপৰি এই সিদ্ধান্ত গেইটৰ ত্ৰয়োদশ শতিকাৰ শেষ ভাগ, অসমৰ প্ৰাকৃত ভুগোলৰ ত্ৰয়োদশ শতিকাৰ আগভাগ আৰু এম্, এন্, ঘোষৰ একাদশ শতিকাৰ শেষভাগ আদি এমুৰীয়া মতৰ মধ্যম বা গড় স্বৰূপেও সুপ্ৰতিষ্ঠিত বুলি ধৰিব পাৰি।

দুৰ্লভনাৰায়ণৰ কাল সম্পৰ্কীয় কঠিন সমস্যাৰ এটি সুমীমাংসালৈ আহি আকৌ আন এটি সমস্যাৰ লগত ভেটা-ভেটি হব লগা হয় পূৰ্ববৈষ্ণৱ সাহিত্যৰ স্বৰূপ

সম্পৰ্কত। এতিয়ালৈকে পোৱা সাঁচিপতীয়া অসমীয়া পুথি ভিতৰত যে দুশ আঢ়েশ বছৰৰ আগৰ লিপিয়েই পাবলৈ নাই, অন্ততঃ পূৰ্ববৈষ্ণৱ বোলা সদৌ সাহিত্যই যে বৈষ্ণৱ যুগৰ ভিতৰেদি চালনি-সৰকা দি আহিছে, বিশেষকৈ বৈষ্ণৱ যুগৰ অসমীয়া সমাজত যে অবৈষ্ণৱ কথা বুলিলেই অধৰ্ম বুলি বিবেচিত হোৱা হেতুকে সম্পাদকৰ ইচ্ছাকৃত ভাবত বা লিপিকাৰৰ অজ্ঞাতসাৰে সেইবোৰ পুথি বৈষ্ণৱ গঢ়লৈ ৰূপান্তৰিত হৈছিল, তাত সন্দেহ নাই। ইহাতেও এই পূৰ্ববৈষ্ণৱ বোলা কবিসকলৰ ৰচনা ঘাইকৈ পুৰাণ আৰু ৰামায়ণ মহাভাৰতৰ ভাঙনিতে সীমাবদ্ধ; আৰু এইবোৰ সাধাৰণতে নিজাভাৱে বৈষ্ণৱ বা অবৈষ্ণৱ একো বুলিব নোৱাৰি। ভণিতাত কবিসকলে যি বহন দিয়ে তাৰ পৰাই সেইবোৰৰ বৈষ্ণৱ বা অবৈষ্ণৱ স্বৰূপৰ নিৰ্ণয় হয়; কিন্তু সেই ভণিতাবোৰবো আগতে প্ৰমাণ দিয়া "আঁচুক্ল"ৰ উপৰিও "দেৱীৰ চৰণ সেৱি"ৰ পাঠান্তৰ ৰূপে "হৰিৰ চৰণ সেৱি" যেতিয়া পোৱা হয়, তেতিয়া কোনটো মূল আৰু কোনটো নকল ধৰা অৱশ্যে কঠিন হৈ পৰে। তদুপৰি মৈথিলী কবি বিদ্যাপতি আৰু বঙালী কবি জয়দেৱ বা চণ্ডীদাসৰ ৰাধা-কৃষ্ণ বিষয়ক গীতবোৰৰ পৰা তেওঁলোকক হঠাৎ বৈষ্ণৱ কবি যেন লাগিলেও, যথাক্ৰমে শাক্ত বা সহজীয়া কবি স্বৰূপে তেওঁলোকে সাধাৰণ অনুৰাগমূলক কবিতাৰূপে সেইবোৰ লিখা বুলি প্ৰমাণিত হলেও তাক বিশ্বাস কৰিবলৈ টান লাগে নিশ্চয়। উদাহৰণ স্বৰূপে, কালিকাপুৰাণ বিশিষ্ট শাক্ত সংস্কৃত গ্ৰন্থ হলেও তাত বিষ্ণুপূজাৰ নিৰ্দেশ আছে, আৰু শঙ্কৰদেৱৰ সমসাময়িক কবি দুৰ্গাবৰ মনসা কবি হৈও ৰামায়ণ-গীতি ৰচক আছিল। গতিকে এই পূৰ্ববৈষ্ণৱ অসমীয়া সাহিত্যৰ আলোচনা কৰোঁতে নিশ্চয় মনৰ পৰা এনেবোৰ পূৰ্বসংস্কাৰ আঁতৰাই নিৰপেক্ষ বিচাৰ কৰিবলৈ সাজু হব লাগিব।

দুৰ্লভনাৰায়ণৰ আমোলৰ পূৰ্ববৈষ্ণৱ কবিসকলৰ ভিতৰত নিশ্চিতভাৱে সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান হেম সৰস্বতী। প্ৰহ্লাদ-চৰিত পুথিত তেওঁৰ আত্ম-পৰিচয় প্ৰসঙ্গৰ মাথোন দুফাকি পদ—

"কমতামণ্ডল দুৰ্ল্লভ নাৰায়ণ নৃপবৰ অনুপাম।
তাহান ৰাজ্যত ৰুদ্ৰ সৰস্বতী দেৱযানী কন্যা নাম॥
তাহান তনয় হেম সৰস্বতী ধ্ৰুৱৰ অনুজ ভাই।
পদবন্ধে তেহোঁ প্ৰচাৰ কৰিলা বামন পুৰাণ চাই॥"

গ্ৰেজিয়াৰৰ মতে খেন বংশী নীলধ্বজ ৰজাই (১২০৪-৫৬ খৃঃ) এই

কমতাপুৰ নগৰ পাতিছিল। বৰ্ত্তমান কোচবেহাৰ অঞ্চলত ধল্লা নৈৰ পূব পাৰত এই নগৰৰো ভগ্নাৱশেষ এতিয়াও আছে। বুকানন হেমিল্টনে ১৮০৯ খৃঃত ইয়াৰ পৰিধি ১৯ মাইল পাইছিল; তাৰে ৫ মাইল ধল্লাই আৰু বাকীখিনি এটা দুৰ্গ আৰু ডাঙৰ খালে সম্পূৰ্ণ কৰিছিল বুলিছে। নীলধ্বজৰ পাছত চক্ৰধ্বজ, আৰু সৰশেষত নীলাম্বৰ (১৪৫৫-৯৮) কমতাপুৰৰ ৰজা হয়। কামৰূপৰ সৰহখিনি, গোটেই ৰংপুৰ আৰু বঙ্গদেশৰ এছোৱা লৈ নীলাম্বৰে পৰম প্ৰতাপেৰে ৰাজত্ব কৰিছিল; শেষত নিজ মন্ত্ৰী সচীপাত্ৰৰ ষড়যন্ত্ৰ আৰু হুছেন শাহৰ (১৪৯৭-১৫২১ খৃঃ) বিশ্বাস-ঘাতকতাত এই ৰাজ্যৰ পতন ঘটে; ইয়াৰ ভালেমান বছৰৰ পাছত বিশ্বসিংহই (১৫১৫-৪০ খৃঃ) কোচবংশৰ পাতনি মেলে। নন্দলাল দেইও খেনবংশী নীলধ্বজকে কমতাপুৰ নগৰ-পাতোঁতা বোলে; তেন্তে ১২০৪-১৪৯৮ খৃঃৰ ভিতৰত দুৰ্লভনাৰায়ণৰ ঠাই ক'ত? প্ৰাকৃত ভূগোলৰ মতে ১২২০ খৃষ্টাব্দত চণ্ডীবৰ প্ৰমুখ্যে ভূঞাসকলৰ কামৰূপত প্ৰতিষ্ঠাপনেই বা কেনেকৈ হয়?

এই সমস্যাৰ একমাত্ৰ সমাধান এয়ে, কমতাপুৰ নাম নীলধ্বজ বা আন যি ৰজাৰ দিনৰ পৰাই হওক, কোচবেহাৰ সম্ভৱ ভাস্কৰ বৰ্মাৰ দিনৰ পৰাই পুৰণি কামৰূপ ৰাজ্যৰ ৰাজধানী আছিল। চীন পৰিব্ৰাজক য়ুৱান চোৱাঙ্ পাৰ হৈ অহা ডাঙৰ নৈখন সম্ভৱ তিষ্টাহে, ব্ৰহ্মপুত্ৰ নহয়; আৰু পৌণ্ড্ৰবৰ্দ্ধন বা পাবনাৰ পৰা ৯০০ লী অৰ্থাৎ ১৫০ মাইল পূবলৈ আহি পোৱা নগৰখন কোচবেহাৰৰ কমতাপুৰ হে, কিয়নো গুৱাহাটী তাৰ পৰা ১৯০০ লী অৰ্থাৎ ৩১৭ মাইল দূৰ। তাৰ পৰা অন্ততঃ শালস্তম্ভ কৈদৰ হৰ্জৰ, বনমালা আৰু বলবৰ্মা আদিৰ ৰাজত্বত বৰ্তমান তেজপুৰ অঞ্চলৰ হাৰুপ্পেশ্বৰলৈ আৰু অসমৰ প্ৰথম পাল ৰজাসকলৰ দিনত সম্ভৱ বৰ্তমান নগাঁও অঞ্চলৰ দুৰ্জয়ালৈ কামৰূপৰ ৰাজধানী স্থানান্তৰিত হোৱাৰ প্ৰমাণ পোৱা হয়। কিন্তু সম্ভৱ কামৰূপৰ পালবংশৰ শেষ ৰজা ধৰ্মপালৰ ৰাজত্বৰ তৃতীয় অনুশাসনত "কামৰূপনগৰে নৃপোঽভৱৎ ধৰ্মপালঃ ইতি" বোলাৰ পৰা পুনৰ কামৰূপৰ ৰাজধানী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ হাৰুপ্পেশ্বৰ আৰু দক্ষিণ পাৰৰ দুৰ্জয়াৰ পৰা উঠি আহি সম্ভৱ বৰ্তমান কোচবেহাৰৰ অঞ্চলৰ কমতাপুৰতে পুনৰ প্ৰতিষ্ঠা কৰে। তদুপৰি ঘূৰি ঘূৰি এই সিদ্ধান্তলৈকে নাহি নোৱাৰি ধৰ্মপালৰ ৰাজত্বৰ পৰাই অৰ্থাৎ দ্বাদশ শতিকাৰ মাজ বা শেষ ভাগতে পুৰণি কামৰূপ ৰাজ্য ভাগি থান্‌থান্ হয় আৰু তাৰ ফলত নিশ্চিতভাৱে ত্ৰয়োদশ শতিকাৰ আৰম্ভতে

কামৰূপত মুছলমান আক্ৰমণ যে আৰম্ভ হয় ১২০৬ খৃঃৰ প্ৰায় ২৮ মাৰ্চৰ গুৱাহাটীৰ কানাই বৰশী শিলালিপিয়েই তাৰ প্ৰমাণ। তেন্তে দুৰ্লভনাৰায়ণে পুৰণি কামৰূপৰ একেবাৰে পছিম ভাগত আৰু ধৰ্মপালে তাৰ পূব অঞ্চলত ৰাজত্ব কৰিছিল। ৰামচৰণে লিখিছে—

"ধৰ্মপাল ৰাজা আছিলেক কামেশ্বৰ। তাহান্তে খাটয় যত ভূঞা নিৰন্তৰ ॥
কামাখ্যা দেবীয়ে যেৱে তান্ক শাপ দিলা। আপোনাৰ ৰাজ্য এৰি বিদেশক গৈলা ॥
দেখিলেক লোক যেৱে ভৈলেক অৰাজ। গাঁৱে গাঁৱে ভৈলা তেৱে সবে ভূঞা ৰাজ ॥
দুৰ্লভ নাৰা'ণ তাৰ বেলেগীয়া গাই। সিও কত দিনে ৰাজা ভৈলা এক ঠাই ॥
বেহাৰৰ পৰা তিনি পহৰৰ বাট। গড়িয়া নগৰ ৰজা দুৰ্লভৰ পাট ॥
যেৱে বিশ্বসিংহ কামৰূপে ভৈল ৰজা। আপুনি বসিল আসি অসংখ্যাত প্ৰজা ॥"

ইয়াৰ পৰা দুৰ্লভনাৰায়ণ আৰু ধৰ্মপালৰ ৰাজ্যৰ স্পষ্ট আভাস পাব পাৰি। বিশ্বসিংহই (১৫১৫-৪০ খৃঃ) কোচ ৰাজ্য স্থাপন কৰাৰ পাছত কামৰূপ নগৰ বা কমতাপুৰৰ নাম কোচবেহাৰ হয়, আৰু দুৰ্লভনাৰায়ণ ধৰ্মপাল আদিৰ দ্বাদশ শতিকাৰ ৰাজত্বৰ পাছত ষোড়শ শতিকাৰ বিশ্বসিংহৰ কোচ ৰাজ্যৰ পাতনৰ কাললৈকে মাজৰ প্ৰায় ৩৫০ বছৰ পুৰণি কামৰূপৰ ৰাজ্যৰ এই পশ্চিম প্ৰান্ত অৰাজক আছিল বুলি বুজিব পাৰি। গতিকে দুৰ্লভনাৰায়ণৰ পাছতে বিশ্বসিংহ ৰজা হোৱা বা এজন দ্বিতীয় দুৰ্লভনাৰায়ণৰ জন্ম হোৱা কল্পনাৰ উদ্ভাৱন পাণ্ডিত্যৰ বিড়ম্বনা আৰু অৱান্তৰ মাত্ৰ। তেন্তে বুকানন হেমিণ্টনে কোচবেহাৰত ১৮০৯ খৃঃত পোৱা ধৰ্মপালৰ ৰাজ্যৰ ভগ্নাৱশেষ ঠিক; আৰু ৰামচৰণে দিয়া দুৰ্লভনাৰায়ণ আৰু ধৰ্মপালৰ ৰাজ্যৰ সীমা-নিৰ্দ্দেশো নিশ্চিত। চৰিত-পুথিবোৰত গৌড়েশ্বৰ আৰু কামেশ্বৰ বা কমতেশ্বৰ খেলি-মেলি লগোৱা বা সমাৰ্থক ৰূপে ব্যৱহাৰ কৰাৰ কাৰণো এতিয়া বুজা কঠিন নহয়, যিহেতুকে সেইটো ক'বৰ দৰে অষ্টম-নৱম শতিকাৰে পৰা অনেক ৰজা-পোৱালীয়ে গৌড়েশ্বৰ উপাধি দাবী কৰিছিল; আৰু বৰ্ত্তমান উত্তৰ বঙ্গৰ প্ৰায় ছজন মান এনে সৰু-সুৰা ৰজাই গৌড়েশ্বৰ উপাধি সেই কালত গ্ৰহণ কৰিছিল। তদুপৰি বৰ্তমান শ্ৰীহট্ট জিলাৰ এক অঞ্চলকো এসময়ত গৌড় বোলা হৈছিল; এতেকে গৌড়েশ্বৰ দুৰ্লভনাৰায়ণৰ ৰাজত্বৰ কবি হেম সৰস্বতী বৰ্তমান কোচবেহাৰৰো "তিনি পহৰৰ বাটৰ" পছিমৰ বা দক্ষিণ-পশ্চিমৰ গড়িয়া বা গৌড় নগৰত আছিল।

"এহি বুলি গৌড়েশ্বৰে দিলন্ত বিদায়। লৰিল কামতেশ্বৰ সেহি আজ্ঞা পাই ॥

নৌকাত চৰিয়া ব্ৰহ্মপুত্ৰে উজাইলন্ত ॥ কতোদিনে আপোনাৰ ৰাজ্যক পাইলন্ত ॥
ঘোৰাঘাটে গৈয়া পাছে নৌকা চপাইলন্ত। তাম্ৰধ্বজে শুনিলেক পিতৃ আসিলন্ত ॥
লেঙ্গামাণ্ডৱিক লাগি সৱে লৈয়া গৈল ॥ ব্ৰহ্মপুত্ৰে উজাই চৈধ্য দিনে গৈয়া পাইল ॥
আশীজন বাইচা তাহান লগে দিলা। বিদ্যুত সঞ্চাৰে তেতিক্ষণে চলি গৈলা ॥
বাৰ দিনা অন্তৰে পাইলন্ত উজাই। চণ্ডীবৰ মহামতি আছা সেহি ঠাই ॥"

ইয়াৰ পৰা অনুমান কৰিব পাৰি দুৰ্লভনাৰায়ণৰ ৰাজধানী গৌড় নগৰ ৰংপুৰ জিলাত সম্ভৱ তিষ্টা আৰু কৰতোয়া নদীৰ মাজত আছিল; গতিকে নাৱেৰে উজাই ব্ৰহ্মপুত্ৰইদি সাধাৰণভাৱে চৈধ্য দিনৰ আৰু কোবা-কুবিকৈ গলে বাৰ দিনৰ মূৰত কমতাপুৰৰ ঘোৰাঘাট পাইছিলগৈ। এই ঘোৰাঘাট শঙ্কৰাদিৰৰ কাহিনীতো ফিৰদৌছিৰ খাহনামাত আৰু কেবিষ্টাৰ বুৰঞ্জীত আক্ৰছিয়াৰৰ উল্লেখেৰে প্ৰসিদ্ধ; ইয়াক চৰিত-পুথিৰ লিপিকাৰৰ প্ৰমাদৰ "ৰৰঘাটে" লিখাকে টানি-টুনি কৰা "ঘৰৰ ঘাট" অৰ্থ বঁজা পাণ্ডিত্যৰ বৰাই মাত্ৰ, ঘাইকৈ যি হেতুকে কমতাৰ ৰজাই ঘোৰা-ঘাটত নানামি "ঘৰৰ ঘাট" বিচাৰি নাযায়।

বামদিয়া আৰু বৰপেটাৰ দুখন পুথি চাই অত্যধিক প্ৰমাদৰ বাবে বৰপেটাৰ পুথি এৰি বামদিয়াৰ পুথিৰ পৰাই ১৯২৩ ত কালিৰাম মেধিয়ে '**প্ৰহ্লাদ চৰিত্ৰ**' ছপাই উলিয়াইছিল। জলুজলু-পটুপটু ওলাই থকা লিপিকাৰৰ অসংখ্য ভুলেৰে ছপা হোৱাত, তাৰ মাজৰ পৰা পুথিখনৰ আখৰ-জোটনিত প্ৰাকৃতৰ প্ৰভাৱ বিচাৰি উলিওৱা বিড়ম্বনা মাত্ৰ। "কেহো সুখী কেহো দুখী বহুত অন্তৰ। কেহো কাকো বাৱে কেহো কৰয় নফৰ ॥" সম্পাদকে তেওঁৰ "পাতনি"ত এই ইছ্‌লাম মূলৰ "নফৰ" শব্দটোৰ পৰা কৰিয়ে "মুছলমানসকল গৌড়ত সোমোৱাৰ বহু আগে প্ৰহ্লাদ চৰিত্ৰ লিখিছিল বুলি মনে নধৰে" বুলি লিখিছে; এই মতেও **হেম সৰস্বতী** অন্ততঃ ত্ৰয়োদশ শতিকাৰ কবি। বামন পুৰাণৰ পৰা কৰিয়ে এই পদ-ভাঙনি কৰিছে; আখৰ-জোটনিৰ কথা এৰিলেও, পুথিখনৰ ভাবা অৱশ্যে প্ৰাচীনগন্ধী।

"কীৰ্ত্তন"ৰ অন্তৰ্গত "প্ৰহ্লাদ চৰিত্ৰ"ৰ বৰ্ণনাৰ লগত ইয়াৰ ভাবাগতই নহয় ভাবগত পাৰ্থক্যও যথেষ্ট মন কৰিব লগীয়া আছে। বৰ্ত্তমান পুথিখনিৰ লিপিকৰণৰ কাল ১০ মাঘ, ১৭৬৯ শক; পদ-দুলড়ি মুঠ ১০০ ফাকি; পুথিৰ আখৰ-জোটনিত প্ৰাকৃতৰ "শষোঃ সঃ" সূত্ৰ সংৰক্ষিত বুলি সম্পাদকে সেইদৰে কৈছে, আৰু "খ"ৰ ঠাইত "ষ" "ী"ৰ ঠাইত "ি", "মই"ৰ ঠাইত "মঞি",

"প্ৰহ্লাদ"ৰ ঠাইত "প্ৰহ্রাদ" এনেও আছে। আৰম্ভৰ পৰাই ইয়াৰ বৰ্ণনাৰ বিশেষত্ব লক্ষ্য কৰিব লগীয়া। সৰশেহত প্ৰহ্লাদ আৰু হিৰণ্যকশিপুৰ ঈশ্বৰবাদ-নিৰীশ্বৰবাদৰ যি তৰ্ক হয়, সি জীৱন্ত ঃ—"হিৰণ্যাক্ষে বোলে অৰে স্বনৰে বৰ্ব্বৰ।" ইত্যাদি ( অধ্যয়ন, ৯৪-৯৮ )।

এনে বৰ্ণনাৰ উপৰিও ঠায়ে ঠায়ে একো শাৰী শঙ্কৰদেৱ-মাধৱদেৱৰ ৰচনাৰ দৰে প্ৰৱচনৰ উপযোগী ঃ "হৰি ৰক্ষা কৰে জাক মাৰে তাক কোনে।" "মোহোৰ বংশত উপজিলা ধূম্ৰকেতু।" "আচাৰত ভিন্ন হৰি বিচাৰত এক।" ইত্যাদি।

এনে ৰচনাৰে প্ৰায় তিনিশত বছৰৰ পূৰ্ববৰ্তী হেম সৰস্বতী শঙ্কৰদেৱৰ অতি সুযোগ্য পূৰ্বকবি বুলিব লাগিব। "হেম সৰস্বতি ভনে এড়ি আন কাম। পাতক চাৰোক ডাকি বোলা ৰাম ৰাম॥" "হেম সৰস্বতি, ৰচিলা সম্প্ৰতি, ডাকি বোলা হৰি হৰি॥" আদি বৈষ্ণৱ ভণিতাৰ বাহিৰে পুথিখনত প্ৰক্ষিপ্ত অংশ বিশেষ নাই যেন অনুমান হয়। "প্ৰহ্লাদ চৰিত্ৰ"ৰ বাহিৰেও হিৰণ্যকশিপুৰ মৃত্যুৰ পৰা ধৰি হৰগৌৰী-সম্বাদ নামে হেম সৰস্বতীৰ আন এখন পুথি পোৱা হৈছে।

দুৰ্লভনাৰায়ণৰ আমোলৰ আন এজন কবি মহাভাৰতৰ অশ্বমেধ পৰ্ব্বৰ অন্তৰ্গত "বভ্ৰুবাহ-পৰ্ব্ব"ৰ অসমীয়া পদ-ভাঙনি কৰোঁতা হৰিহৰ বিপ্ৰ। 'বভ্ৰুবাহ-পৰ্ব্ব'ৰ ভণিতাত কবিয়ে আত্ম-পৰিচয় এইদৰে দিছে—

"জয় জয় নৃপবৰ, দুৰ্লভনাৰায়ণ ৰজা, কামাখ্যা গোসানী দেন্ত বৰ।
সপুত্ৰ-বান্ধৱে নিতে, সবান্ধৱে মনোনীতে, জীৱন্তোক সহস্ৰ বৎসৰ॥
তাহান ৰাজ্যতে গত, সৰ্বজন মনোনীত, অশ্বমেধ পদমধ্যে সাৰ।
বিপ্ৰ হৰিহৰ কবি, হৰিৰ চৰণ সেৱি, পদবন্ধে কৰিলোঁ প্ৰচাৰ॥" ২০৯।

কিন্তু এই ভণিতাৰে পাঠান্তৰত বহুত প্ৰভেদ পোৱা হয়—

"জয় জয় নৰপতি, দুৰ্লভনাৰায়ণ ৰজা, কামপুৰে ভৈলা বীৰবৰ।
সপুত্ৰ-বান্ধৱে যেৱে, সুখে ৰাজ কৰন্তোক জীৱন্তোক সহস্ৰ বৎসৰ॥
তাহান ৰাজ্যত থিত, সাধুজন মনোনীত, অশ্বমেধ বিৰচিত সাৰ।
বিপ্ৰ হৰিহৰ কই, গৌৰীৰ চৰণ সেই, পদবন্ধে কৰিলোঁ প্ৰচাৰ॥"

এই দুই পাঠান্তৰৰ ভিতৰত প্ৰথমটোৰ "কামাখ্যা গোসানী" আৰু দ্বিতীয়টোৰ "গৌৰীৰ চৰণ সেই ( সেৱি )" পাঠখিনিৰ পৰা ৰজা আৰু কবি

উভয়েই শাক্তপন্থী আছিল বুলি ধৰা অযুক্তিকৰ নহব। কবিয়ে মহাভাৰতৰ এই ভাঙনি কৰিলেও বৈষ্ণৱ ধৰ্মত তেওঁ সম্পূৰ্ণ নিষ্ঠাবান নাছিল বুলি ধৰিব পাৰি, আৰু সেইদেখি এই পুথিত থকা "ডাকি বোলা হৰি হৰি", "ডাকি বোলা ৰাম ৰাম" আদি ভণিতাৰ "আঁচু ফুল" অৱশ্যে বৈষ্ণৱ যুগৰ হব লাগিব। পুথিখনিৰ ভাষা হেম সৰস্বতীৰ ভাষাতকৈ সৰল আৰু সৰস। "গোত্ৰ হত্যা পাতকত তাৰণ কাৰণ। অশ্বমেধ যজ্ঞ আৰম্ভিলা পাণ্ডুগণ॥" ঘটনাত আৰম্ভ কৰি "অৰ্জ্জুন-পুত্ৰৰ যুদ্ধ বিয়তে মিলিলা। জন্মেজয় নৃপতিক সাৰশেষে কৈলা॥" বুলি ৬০৫ ৰ অধিক পদত সম্পূৰ্ণ কৰা হৈছে। চিত্ৰাঙ্গদাৰ গৰ্ভত অৰ্জ্জুন বীৰৰ পুত্ৰৰূপে বভ্ৰুবাহন কেনেকৈ জন্মিবলৈ পালে লিখে কৈছে—

কন্যাকালে আছে মাতৃ-পিতৃৰ ভৱনে। নৃত্য-গীত কৰি থাকে সৱে কন্যাগণে॥
একদিনা গীত গান্তে তাল ভৈল ভঙ্গ। হেন দেখি বাপৰ মনত বৰ খঙ্গ॥
যেৱে স্বৰূপত মই তোৰ হওঁ বাপ। আজি তোক দিওঁ নিদাৰুণ চণ্ড শাপ॥
নিৰ্জ্জন গহন বন বুলিজ যাহাক। গৰু হুয়া পাপীষ্ঠী তাহাত পৰি থাক॥
তীৰ্থযাত্ৰা কালে অৰ্জ্জুনক লাগ পাইবি। পূৰ্ব্বৰ স্বৰূপ হুয়া শাপক এৰাইবি॥

গোটেই পুথিখনত বভ্ৰুবাহনৰ বীৰত্ব আৰু মহত্ব, চিত্ৰাঙ্গদা আৰু উলূপীৰ সতীত্ব আদি এনে নিপুণভাৱে বৰ্ণোৱা হৈছে যে পঢ়িলে পূৰ্বশঙ্কৰী যুগৰ ৰচনা যেন অনুমান নহয়। ১০৫ পদত আছে—

"ঝুনা—জয় হৰি জয় ৰাম। (ঝুমুৰী)
নাজানি ঘোৰা ধৰিলোঁ। ৰৱ দুখ লঘু হৈলোঁ।"

আদি প্ৰক্ষিপ্ত যেনেই লাগে। অৰ্জ্জুনৰ কাষত বভ্ৰুবাহনৰ অপমানৰ বৰ্ণনা—
"অৰ্জ্জুনে বোলয় দূৰ পাপিষ্ঠ দুৰ্জ্জন। কেনমতে ভৈলি তই মোহোৰ নন্দন॥
কোনোবা বেশ্যাৰ পুত্ৰ কোনে জানে তোক।
নিচিনি নাজানি কেনে বাপ বোল মোক॥
আগেসে মনুষ্যে লবে ভয় ক্ষয় কৰি। ছাগ বুলি বাঘৰ লাগ্নত দেই জৰী॥
ভয়তে মনুষ্যে নেৰে পাছে নেৰে বাঘে। তোৰ মোৰ পটন্তৰ ভৈল সেহি ভাগে॥"

উত্তৰকাণ্ড ৰামায়ণৰ অন্তৰ্গত লৱ-কুশৰ যুদ্ধ বিষয়ক কোনো অজ্ঞাত কবিৰ এখন পুথিও ডিব্ৰুগড়ৰ ভট্টাচাৰ্য্য এজেন্সীৰ দ্বাৰাই ১৯২৫ ত প্ৰকাশিত হৈছে; আগৰ পৰা গুৰিলৈ চাৰিশৰ অধিক পদৰ ভিতৰত ক'তো কবিৰ নাম বা পৰিচয় নথকাত বিজ্ঞ প্ৰকাশকে পাণ্ডিত্যৰ আড়ম্বৰ নকৰি "এজন মহাকবিৰ দ্বাৰা

অসমীয়া ভাষাত ৰচিত” বুলিছে। এই ছাপা পুথিখন অশ্বমেধৰ আৰম্ভৰ পৰা বৰ্ণনা কৰিছে; কিন্তু বৰ্তমান কামৰূপ অনুসন্ধান সমিতিত থকা দুখন পুথিৰ এখনত লৱ-কুশৰ জন্মৰ আগৰ পৰা ধৰি এশমান পদৰ ভিতৰত লক্ষ্মণক ৰামে সীতা-নিৰ্বাসনৰ আদেশ দিয়াত সামৰিছে, আৰু ইখন তাৰ পাঁচ-ছয়টা মান পদৰ পিছৰ পৰা ধৰি লক্ষ্মণে লৱ-কুশৰ সৈতে যুদ্ধ কৰিবলৈ সাজু হোৱালৈকে তিনিশ মান পদৰ ভিতৰত অন্ত হৈছে। কিন্তু আচৰিত কথা, ছাপা পুথিৰ লগত মিলা ছোৱাৰ হাতে-লিখা পুথিৰ ভণিতাতো ক’তো ঘুণাক্ষৰেও কবিৰ চিনাকি কিয়, নাম পৰ্য্যন্ত নাই; কিন্তু ছাপা পুথিত নথকা আগছোৱাত আগৰখন হাতে-লিখা পুথিত এবাৰমান আৰু ইখনত তিনি বাৰ-মান “কৃষ্ণৰ কিঙ্কৰে কহে হৰিবৰ কবি। পাতক ছাড়োক ডাকি বোলা হৰি হৰি ॥” এনে ছন্দদুষ্ট ভণিতা আছে যদিও অৱশ্যে হাতে-লিখা পুথি এখনবো ক’তো “বভ্ৰুবাহ পৰ্ব্ব” পুথিত থকাৰ দৰে কবিৰ চিনাকি নাই। এনে অৱস্থাত ছাপা-পুথিত কবিৰ নাম নথকাত সন্দেহ কৰিবলৈ কোনো যুক্তি নাই; কিন্তু হাতে-লিখা পুথিত থকা “কবি হৰিবৰ” কথা অৱশ্যে সন্দেহজনক। দ্বিতীয় কথা, “বভ্ৰুবাহ পৰ্ব”ৰ কবি হৰিহৰ বিপ্ৰ, আৰু লৱ-কুশৰ যুদ্ধৰ অজ্ঞাত কবি এজেজন বুলি ভাবিবৰ বিশেষ হেতু আছেনে? বা, কামৰূপ অনুসন্ধান সমিতিৰ পুথি দুখন যদি জাল্ নহয়, তাৰ হৰিবৰ বিপ্ৰ নাম অনুসৰি বভ্ৰুবাহ পৰ্বৰ কবি হৰিহৰ বিপ্ৰৰ নাম শুধৰাবলৈ যোৱা দুঃসাহস নহয়নে? কিন্তু লৱ-কুশৰ যুদ্ধৰ ছাপা আৰু হাতে-লিখা উভয় পুথিৰ উপদেশ আৰু “আঁচুফুল” যে বৈষ্ণৱ যুগৰ, ওপৰৰ মতেই তাত সন্দেহ কৰিবৰ ঠাই নাই। ভণিতাৰ উপৰিও আন আন ঠাইত বৈষ্ণৱ লিখনিৰ প্ৰভাৱৰ সাঁচ দেখিবলৈ পোৱা হয়, আৰু তাত বিচিত্ৰতা একো নাই। অন্ততঃ ‘বভ্ৰুবাহ-পৰ্ব্ব’ৰ কবি হৰিহৰ বিপ্ৰ হেম সৰস্বতীৰ সমসাময়িক দুৰ্লভনাৰায়ণৰ আমোলৰ এজন পূৰ্ব-বৈষ্ণৱ কবি, আৰু “গৌৰীৰ চৰণ সেই ( সেৱি )” হলেও তেওঁ মহাভাৰতৰ পদ-ভাঙনি কৰিছিল। সঠিক প্ৰমাণৰ অভাৱত “লৱ-কুশৰ যুদ্ধ”ৰ অজ্ঞাত কবিৰ কাল নিৰূপণ কৰা সম্ভৱ নহলেও তেওঁৰ ৰচনাৰ উদ্ধৃতি দিয়া হল—

“ৰামচন্দ্ৰ বধ শুনি, কপালত মুষ্টি হানি,
কান্দে সীতা জগত গোসানী।
বিধি কুধ্বংস ভৈলা, এহি দুঃখ লেখি থৈলা,
আমি দোষী জগত-জননী ॥…

আছিলোঁ জনক জীয়া ৰামচন্দ্ৰে কৰে বিয়া,
মোক আনিলেক অযোধ্যাক।
পিতৃৰ যে আজ্ঞা পালি, বনবাসে গৈলা চলি,
পৰে গৈলা দণ্ডকা বনক ॥···
কান্দি কান্দি কহে আই, দুহানৰ মুখ চাই,
তোমাৰ অৱস্থা হেন ভৈলা।
হাতী গুচি মাখি ভৈলা, গো-খোজত তল গৈলা,
ছাৱালৰ হাতে প্ৰাণ গৈলা ॥"

কিন্তু এনে ৰচনা হেম সৰস্বতীৰ তুলনাত পূৰ্ব-বৈষ্ণৱ যেন যি নালাগেই, বৈষ্ণৱ কিয়, উত্তৰ-বৈষ্ণৱ বুলি উদ্ধৃত কৰা হলেও আচৰিত যেন নালাগিল-হেতেন। মুঠতে "লৱকুশৰ যুদ্ধ"ৰ সমগ্ৰ ৰচনাৰ ভাষা প্ৰাচীনগন্ধী যেন অনুমান নহয়।

হেম সৰস্বতী আৰু হৰিহৰ বিপ্ৰৰ অৱশ্যে পৰবৰ্ত্তী দুৰ্লভনাৰায়ণ ৰজাৰ পুতেক ইন্দ্ৰনাৰায়ণৰ আমোলৰ কবি কবিৰত্ন সৰস্বতী। তেওঁ মহাভাৰতৰ দ্ৰোণপৰ্বৰ ভাঙনি কৰিছিল, আৰু তাৰ কৈলাস বৰ্ণনাৰ লগত এইদৰে আত্মপৰিচয় দিছে—

"নৃপ শিৰোমণি দেৱ মহামানী দুৰ্লভনাৰা'ণ ৰাজা।
নিতে পুত্ৰৱতে পালিলা সততে পৃথিবীৰ যত প্ৰজা ॥
তাহান তনয় ভৈলা ধৰ্মময় ইন্দ্ৰনাৰায়ণ দেৱ।
মহাবীৰ ধীৰ স্বভাৱে গম্ভীৰ নিতে কৃত্য হৰিসেৱ ॥
নিজ বাহুবলে পাইল অবিকলে অখণ্ড মহীমণ্ডল।
যাৰ খাটে নমি সততে প্ৰণমি বিপক্ষ নৃপসকল ॥
যাক সৰ্বক্ষণ ইন্দ্ৰ নাৰায়ণ বৰ দেন্ত সদাশিৱ।
হৌক নৰেশ্বৰ পাঞ্চ গৌৰেশ্বৰ পিতা-পুত্ৰে চিৰঞ্জীৱ ॥
ছোট শিলা নাম আছে এক গ্ৰাম যত গ্ৰাম মধ্যে সাৰ।
আছিল তথাত জগত-প্ৰখ্যাত চক্ৰপাণি শিকদাৰ ॥
পটু নৰবৰ কায়স্থ প্ৰবৰ ধৰ্মৰন্ত মহাযশী।
পণ্ডিত তিলক কুল-প্ৰকাশক নিষ্কলঙ্ক যেন শশী ॥

| | | |
|---|---|---|
| দেৱ দ্বিজগণ | কৰিলা পূজন | সবনে ধৰ্মপ্ৰসঙ্গ। |
| নিত্য উপগত | যাৰ অভ্যাগত | নভৈলেক আশা ভঙ্গ ॥ |
| নিজ গুণবলে | লভিলা সকলে | ধন-ধান শতকাৰ। |
| নৃপতি প্ৰধান | দুৰ্লভ নাৰা'ণ | প্ৰশংসয় বাৰবাৰ ॥ |
| তান পৰলোকে | ভৈল সৰ্ব শোকে | নিজ তনু-ভঙ্গ ঘৃণে। |
| যেক ভঙ্গ হেন | সিন্ধু ভৈলা পঙ্ক | মাণিক বিন্ধিলা ঘুণে ॥ |
| তাহান তনয় | অতি শুভময় | কৱিবল্ল সৰস্বতী। |
| দ্ৰোণপৰ্ব পদ | জয়দ্ৰথ বধ | কৌতুহলে নিগদতি ॥" |

দুৰ্লভনাৰায়ণক আমি দ্বাদশ শতিকাৰ শেষ ছোৱাৰ বুলি ঠাৱৰাই আহিছোঁ, গতিকে তেওঁৰ পুতেক ইন্দ্ৰনাৰায়ণ তথা কবিবল্ল সৰস্বতীক ত্ৰয়োদশ শতিকাৰ আগছোৱাৰ কবি বুলিব পাৰি। দুৰ্লভনাৰায়ণৰ কেইবা শত বছৰৰ পাছত কমতাপুৰৰ ওচৰত বিশ্বসিংহই কোচ ৰাজ্যৰ ৰাজধানী কোচবেহাৰ স্থাপন কৰে; আৰু তেওঁৰ পুতেক নৰনাৰায়ণ কোচ ৰাজসিংহাসনত উঠি পৰম বিদ্যোৎসাহীৰূপে বিক্ৰমাদিত্যৰ নৱৰত্নৰ সভাৰ অনুৰূপ অসমৰ কবিসকল শঙ্কৰদেৱ, মাধৱদেৱ, ৰাম-সৰস্বতী আদিৰ দিব্য সভা পাতে। এতেকে দুৰ্লভ-নাৰায়ণক নৰনাৰায়ণ-সূৰ্য্যৰ আগমনি জনোৱা পূৰ্ৱতী তৰা বুলিব পাৰি; আৰু তেওঁৰে আদৰ্শ অনুসৰি ইন্দ্ৰনাৰায়ণো বিদ্যোৎসাহী হৈছিল বুলি উদ্ধৃতিৰ পৰা বুজিব পাৰি। কৱিবল্ল সৰস্বতীয়ে কৈলাস বৰ্ণনাত লিখিছে—

| | | |
|---|---|---|
| "স্ফটিক প্ৰকাশ | হৰৰ কৈলাস | জলে নানা ৰত্নময়।… |
| আম জাম শ্যাম | অতি অভিৰাম | শাল তাল ভাল দেখি ॥ |
| ফুলিল কণ্টকী | সুবৰ্ণ কেতেকী | ফুল মধ্যে যাক লেখি ॥ |
| গুৱা নাৰিকল | জবা পনিয়ল | লেতেকু টেঙা দাড়িম। |
| বোলেঙ্গ মধুৰি | আছে ডাল ভৰি | ৰসে টুপ টুপ জিম ॥ |
| কমলা কপুৰা | যেন চেনি-চুড়া | স্বাদত আমোল-মোল। |
| পড়ুণ্টা কণ্টুক | আছে জোক জোক | দৰশনে হোৱে ভোল ॥… |
| শীতল নিৰ্মল | সৰোৱৰে জল | বুৰৌ বুৰৌ কৰে তীৰ। |
| আছো' স্নান-পান | দেখি শুস্থ মন | নিৰ্মল মন শৰীৰ ॥ |
| অমল কমল | সুকোমল দল | ফুলি ফুলি ডাল শোভে। |
| পৰি মধুকৰ | গুঞ্জে কচিকৰ | তাৰ মধুপান লোভে ॥ |

ৰয়ে ডাক ডাক হংস চক্ৰবাক জলচৰ পক্ষীগণ।
ক্ষণে ক্ষণে উৰি বুৰি বুৰি পৰি জলত কৰে ক্ৰীড়ণ॥
লৱঙ্গ মালতী ফুলিল সেউতী কুন্দ কুৰুবক জাই।
চম্পা নাগেশ্বৰ শিৰিষ ৰিত্তৰ হাত মেলি ফুল পায়॥
ৰঙ্গিন বেৰতী আছে থুপি থুপি তগৰ জয়ন্ত মালী।
ফুল-ভৰে হালি পৰে ডাল ভাঙ্গি ফুলি বকুল জালি॥
ফুলিছে বন্দুলী গন্ধে নাহি তুলি কদম্ব দেখি শোভন।
কেতেকী প্ৰচুৰ কনক ধুত্তুৰ নেৰালি মাৰি দশন॥
হেনয় শোভন বিচিত্ৰ উদ্যান ফুলে তথা সৰ্ব্বকাল॥
যত মনোহৰ মন্দাৰ কুসুম পাৰিজাত তথা আছে।
ফুল অভিনৱ কুসুম পল্লৱ দেখি ভাল গাছে গাছে॥
তাত কল্পতৰু আছয় অগৰু শুনা তাত কোন কথা।
যহা ভকৰৱ মাগি পাইলা বৰ মনে অভিলাষী তথা॥
বসন্ত মিলিল আবাৰে কোকিল বহয় মলয়া বায়।
ভ্ৰমৰা গুঞ্জৰি চিত্ত চুৰি কৰি কোকিলে তেজিল বায়॥"

এই বৰ্ণনাই সৰ্বসাধাৰণ পঢ়ুৱৈকো অনন্তে "কীৰ্ত্তন"ৰ অন্তৰ্গত "হৰমোহন"ৰ ভিতৰুৱা "দিব্য উপবন"ৰ চিত্ৰলৈ সঘনে মনত পেলাব। অকল লালিত্য বা বৰ্ণনাতেই নহয়, ভাষাতো "ফুলভৰে ভাগে ডাল" "বহয় মলয়া বায়", "কোকিলে তেজিলে বায়" আদি যেনেকৈ শঙ্কৰদেৱৰ প্ৰতিধ্বনি যেন লাগে; "শাল তাল ভাল দেখি", "বুৰৌ বুৰৌ কৰে তীৰ", "হাত মেলি ফুল পায়" আদি ভাষা তুলনাত প্ৰাচীন হোৱাতকৈ "কীৰ্ত্তন"তকৈ অৰ্বাচীন যেনহে লাগে; ইও বিশেষ চিন্তা কৰিব লগা কথা।

দুৰ্লভনাৰায়ণ ৰাজত্বৰ সমসাময়িক বুলিব পৰা এতিয়ালৈকে জনাৰ ভিতৰৰ শেষ কবি ৰুদ্ৰ কন্দলী; কিন্তু "অসমীয়া সাহিত্যৰ চানেকি"ৰ সম্পাদক গোস্বামীয়ে এওঁক এই আটাইকেইজনৰ আগত ঠাই দিছে। তাৰ কাৰণ একো নিদিলেও গোস্বামীয়ে সম্ভৱ ৰুদ্ৰকন্দলীৰ পৃষ্ঠপোষক ৰজা তাম্ৰধ্বজক দুৰ্লভনাৰায়ণৰ পূৰ্ববৰ্তী বুলি ভাবে; কিয়নো এই কবিয়ে মহাভাৰতৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত সাত্যকী-প্ৰবেশৰ পদ-ভাঙনিত লিখিছে—

"শ্ৰীমন্ত তাম্ৰধ্বজ অনুজে সহিতে। বৃদ্ধৰ সমান ধৰ্ম শিশু বয়সতে।

বুদ্ধিত গম্ভীৰ ক্ষমাৰন্ত শুভ নয়। যাহাৰ যশক সৰ্ব্বজনে প্ৰশংসয় ॥
বিষ্ণুৰ ভকত মহামায়াৰ সেৱক। পুত্ৰৰ সমান কৰি দৰিদ্ৰ পালক ॥
দুই ভাইৰ স্নেহ যেন ৰাম-লক্ষ্মণৰ। সবান্ধৱে জীৱন্তোক সহস্ৰ বৎসৰ ॥"

গৌৰেশ্বৰ দুৰ্লভনাৰায়ণ আৰু কমতেশ্বৰ ধৰ্মপালৰ যুদ্ধ আৰু সন্ধিৰ পাছত ধৰ্মপালে দুৰ্লভনাৰায়ণৰ পৰা সাত ঘৰ ৰামুণ আৰু সাত ঘৰ কায়স্থ লৈ ঘূৰি অহা সম্পৰ্কত ৰামচৰণ ঠাকুৰৰ "শঙ্কৰ চৰিত"ৰ প্ৰথম খণ্ডৰ পৰা উদ্ধৃত কৰা হৈছে—

"এহি বুলি গৌৰেশ্বৰে দিলন্ত বিদায়। লবিল কমতেশ্বৰ সেহি আজ্ঞা পাই ॥৮৯
নৌকাত চৰিয়া ব্ৰহ্মপুত্ৰে উজাইলন্ত। কতো দিনে আপোনাৰ ৰাজ্যক পাইলন্ত ॥
ঘোৰাঘাটে গৈয়া পাছে নৌকা চপাইলন্ত। তাম্ৰধ্বজে শুনিলেক পিতৃ আসিলন্ত ॥"

গতিকে তাম্ৰধ্বজক ধৰ্মপালৰ পুত্ৰ বুলি ধৰি তেওঁক দুৰ্লভনাৰায়ণৰ পুতেক ইন্দ্ৰনাৰায়ণৰ সমসাময়িক বুলি ইয়াত হেম সৰস্বতী আদিৰ পাছত তাম্ৰধ্বজৰ আমোলৰ কবি কৃদ্ৰ কন্দলীক ঠাই দিয়া হৈছে। "সাত্যকী প্ৰবেশ"ৰ বৰ্ণনা—

"সকল পাঞ্চাল বলে হুয়া এক জুৰি। অস্ত্ৰশস্ত্ৰ প্ৰহাৰিলা দশোদিশে বেঢ়ি ॥
অস্ত্ৰশস্ত্ৰ হানিয়া দ্ৰোণক পাৰে গালি। মৰিলে মৰিলে ব্ৰহ্মবধী পাপশালী ॥
কিসক লাগিয়া ব্ৰহ্মকুলে উপজিলি। কিসক লাগিয়া তুমি তপ আচৰিলি ॥
পুৰাণ সংহিতা পঢ়িলাহা চাৰি বেদ। ধৰ্মবো শাস্ত্ৰবো তুমি জানা অবিচ্ছেদ ॥
কোন শাস্ত্ৰে বোলে ব্ৰাহ্মণৰ হিংসা ধৰ্ম। কিস লাগি এৰিলাহা আপোনাৰ কৰ্ম ॥
নিশঙ্কি কৰিলা তুমি পাঞ্চাল সেনাক। ধন-ধাৰী ভৈলা তুমি কৌৰৱ ৰজাক ॥
গুজিবাক নোৱাৰিয়া বাহুতে যুজিয়া। বাপুতেয়ো মৰি যাইবা বিত্ত মুগুজিয়া ॥
তপ-জপ কৰি অন্য বীৰ স্বৰ্গে যায়। তোঠৈৰ বাপুতেৰ বা হৈব কোন ঠাই ॥
আমাক মাৰিলে জানো তুমি কত পাইবা। পেটৰ ভাতক লাগি অধোগতি যাইবা ॥
শপি মাৰিবাক পাৰ্য্য কেনে কৰা যুদ্ধ। কিসক লাগিয়া হাতে ধৰিলা আয়ুধ ॥
প্ৰজা মাৰিবাৰ ফলে কৌৰৱ নৃপতি। পুত্ৰ-পৌত্ৰ মৰিয়া যাইবেক অধোগতি ॥
দশোদিশে গলাবাৰ দ্ৰোণে শুনিলন্ত। উচিত জানিয়া তাক নেদন্ত সিদ্ধান্ত ॥"

এই বৰ্ণনাত ভাষা আৰু ছন্দৰ নিয়ম গতিও বৈষ্ণৱ যুগৰ পূৰ্ববৰ্তী বুলি নকলে ধৰিব নোৱাৰি, কিয়নো প্ৰাচীনতাৰ গোন্ধ ইয়াত নাই বুলিব পাৰি। তদুপৰি তাম্ৰধ্বজৰ পৰিচয়ত লিখা কথাবাৰিও চিন্তা কৰিব লগীয়া; একে উশাহতে "বিষ্ণুৰ ভকত মহামায়াৰ সেৱক" হয় কেনেকৈ ? সামৰণিত লিখিছে—